# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-11-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - -**

১। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা উপলক্ষে ৰাজ্যজুৰি আজিৰেপৰা ভাষা গৌৰৱ সপ্তাহ উদযাপন।

২। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত নিয়োজিত বিষয়াসকলৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ।

৩। সমাজত বিজ্ঞানসন্মত মানসিকতা গঢ়াৰ বাবে চিকিৎসকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত মন্তব্য।

৪। ভাতৃ-ভগ্নীৰ পৱিত্ৰ বান্ধোনৰ নিদৰ্শনস্বৰূপ ভাতৃ দ্বিতীয়া, ভাইদুজ বা ভাইফোটা উৎসৱ ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন। **আৰু**

৫। মুম্বাই টেষ্টত ২৫ ৰানত জয়লাভেৰে ভাৰতৰ বিৰুদ্ধে নিউজিলেণ্ডৰ শৃংখলা দখল।

০০০০০

অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা উপলক্ষে ৰাজ্যজুৰি আজিৰেপৰা ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হৈছে। এই উদযাপনত অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। গুৱাহাটীত আজি ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিপ্ৰাপ্তিৰ লগে লগে প্ৰতিজন অসমীয়াৰ ভাষাটোৰ প্ৰতি দায়িত্ব বাঢ়িল বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে নৱ প্ৰজন্মক ডিজিটেল পদ্ধতিৰে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ বিজুলী কলিতা মেধি, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ তথা অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি আৰু গুৱাহাটীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰতিনিধিসকল উপস্থিত থাকে। ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি অসমীয়া ভাষাৰ ধ্ৰুপদী স্বীকৃতিৰ বিষয়ে উল্লেখ কৰি ভাষাবিদ উপেন ৰাভা হাকাচামে আজি এনেদৰে কয়–

**-ভইচ কাষ্ট-**

বজালী জিলাত পাঠশালা সাহিত্য সভা আৰু বজালী জিলা প্ৰশাসনৰ যৌথ উদ্যোগত আয়োজিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশগ্ৰহণ কৰি কথিত ভাষাতো অসমীয়া শব্দৰ শুদ্ধ ৰূপৰ ব্যৱহাৰৰ বাবে আহ্বান জনায়। ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি আয়োজন কৰা এটা শোভাযাত্ৰাত অংশগ্ৰহণ কৰে।

বৰপেটা জিলাৰ ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে ভাষাটোৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰিব যদিও প্ৰতিজন অসমীয়াই ভাষাটোৰ ব্যৱহাৰ বৃদ্ধিৰ বাবে হাত উজান দিলেহে এই স্বীকৃতিৰ সঠিক ৰূপায়ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। অনুষ্ঠানটোত ভাষা সাহিত্যৰ ক্ষেত্ৰখনলৈ বৰঙণি আগবঢ়াই অহা অঞ্চলটোৰ ৪ গৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

বাক্সা জিলাতো ভাষা গৌৰৱ সপ্তাহ সদৰ জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত হয়। অনুষ্ঠানত ভাষা সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাৰ বাবে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। একেদৰে তামুলপুৰ জিলাতো ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত জিলাখনৰ বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাৰ বিষয়ববীয়াসকলক সম্বৰ্ধনা জনোৱা হয়। গোৱালপাৰা জিলাত নটসূৰ্য ফণী শৰ্মা ভৱনত আয়োজিত অনুষ্ঠানত অধ্যাপক আৰু ভাষাবিদ ড° লক্ষী হাজৰিকাই অসমীয়া ভাষাৰ ঐতিহ্য উৎস আৰু বিকাশ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

কাৰ্বি আংলং জিলাতো ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত অসমীয়াৰ লগতে কাৰ্বি ভাষাৰ ব্যুৎপত্তি সাধনৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰা ৰংবং টেৰাঙকে ধৰি বিশিষ্ট সাহিত্যিক সকলক সম্বৰ্ধনা জনোৱা হয়। একেদৰে গোলাঘাট, মাজুলী, শিৱসাগৰ, দৰং, তিনিচুকীয়া, মৰিগাঁও, শোণিতপুৰ আৰু নলবাৰী জিলাতো ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত বিশিষ্ট সাহিত্যিক আৰু ভাষাবিদসকলক সম্বৰ্ধনা জনোৱা হয়। তিনিচুকীয়া জিলাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে ভাষাৰ বিকাশে জাতি এটাৰ উন্নতিৰ বাট নিৰূপণ কৰে বুলি মন্তব্য কৰে। গোলাঘাট জিলাৰ বীৰাংগনা সতিসাধনী কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে সুৱদী সুৰীয়া অসমীয়া  ভাষাটো জগৎ সভাত স্ব-মৰ্যাদাৰে মহিমামণ্ডিত ৰূপত বন্দিত হৈ থাকিবলৈ ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে সহায় কৰিব। চৰাইদেউ জিলাৰ সোণাৰি মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত উপস্থিত থাকি কেবিনেট মন্ত্ৰী যোগেন মহনে ২২ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায়।

**-বাইট-**

উল্লেখযোগ্য যে চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰাৰ কাৰ্যসূচীও আজিৰপৰা আৰম্ভ কৰা হৈছে।

ooooo

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহৰ সহযোগত নিৰ্বাচনী বিভাগে নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আজি চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনত নিয়োজিত প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। ইপিনে জিলাখনত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হোৱাৰে পৰা এই বিধি উলংঘাকাৰী ঘটনাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা হৈছে। কালি জিলাখনৰ ৰূপহীহাট থানাৰ অন্তৰ্গত লাওখোৱা পথত চাৰে চাৰি লাখ টকাৰো অধিক নগদ ধন জব্দ কৰা হয়।

ইপিনে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। আজি কেবিনেট মন্ত্ৰী অশোক সিংহলে বৰপেটাত উপস্থিত হৈ জনসাধাৰণে চৰকাৰখনৰ উন্নয়নমূলক কামৰ বাবে আস্থা প্ৰকাশ কৰি আহিছে আৰু নিৰ্বাচনত এই কথা প্ৰতিফলিত হ'ব বুলি আশা প্ৰকাশ কৰে।

ইপিনে ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ দায়িত্বত নিয়োজিত কৰ্মচাৰীসকলে মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত নিৰ্বাচনৰ পৰৱৰ্তী সময়ছোৱাত বিশেষ ছুটী লাভ কৰিব বুলি প্ৰকাশ কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলক অহা ৬ আৰু ৮ নৱেম্বৰত এই ছুটীৰ সুবিধা আগবঢ়াইছিল। এই বিশেষ ছুটীৰ অধীনত কৰ্মচাৰীসকলক ৭ নৱেম্বৰ ষট পূজা, ৯ নৱেম্বৰ মাহৰ দ্বিতীয়টো শনিবাৰ আৰু ১০ নৱেম্বৰ দেওবাৰৰ দিনটো একেলগে সামৰি লোৱা হ'ব বুলি কোৱা হৈছিল। উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ ফলত সংশ্লিষ্ট সমষ্টিকেইটাৰ কৰ্মচাৰীসকলৰ বাবে এই ছুটী লোৱাত সমস্যা সৃষ্টি হোৱাৰ বাবে পৰৱৰ্তী সময়ত এই ছুটী প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হৈছে।

০০০০০

ৰাজ্যৰ প্ৰথমখন চিকিৎসা প্ৰতিষ্ঠান অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে ডিব্ৰু মহাবিদ্যালয়ৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ছাত্ৰ সমাজৰ সৈতে মত বিনিময় কৰে।

অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শ্ৰী সোণোৱালে বিজ্ঞানসন্মত মানসিকতা গঢ়াৰ বাবে চিকিৎসকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি মন্তব্য কৰে। ক'ভিডৰ দৰে অতিমাৰীয়ে সৃষ্টি কৰা ভাবুকিৰ সন্মুখীন হ'বলৈ চিকিৎসক সমাজৰ লগতে বিজ্ঞানীসকলৰ অপৰিহাৰ্য অৱস্থিতিৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসম চিকিৎসা মহাবিদ্যালয় অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ গৌৰৱ হোৱাৰ লগতে উজনি অসমৰ চিকিৎসাৰ প্ৰাণকেন্দ্ৰস্বৰূপে প্ৰতিষ্ঠানটোৱে অসমৰ লগতে চুবুৰীয়া ৰাজ্যৰ ৰোগীসকলৰ বাবে অপৰিসীম সেৱা আগবঢ়াই আহিছে বুলি আজি ভাষণ প্ৰসংগত মন্ত্ৰী সোণোৱালে উল্লেখ কৰে। উল্লেখযোগ্য যে ১৯৪৭ চনৰ ৩ নৱেম্বৰৰ দিনা পূৰ্বৱৰ্তী বেৰীহোৱাইট মেডিকেল স্কুলৰ ঠাইত অসম চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। তেওঁ লগতে যিসকল প্ৰথিতযশা ব্যক্তিৰ চিন্তা আৰু প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল, তেওঁলোককো কৃতজ্ঞতাৰ সৈতে স্মৰণ কৰে।

**-বাইট-**

প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বৰা, সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক বলীন চেতিয়া, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কাকতিকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিও আজিৰ কাৰ্যসূচীত উপস্থিত থাকে।

ইফালে, কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে আজি ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনে ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদৰ পৰা লাভ কৰা উচ্চ সন্মানৰ প্ৰশংসা কৰে। একবিংশ শতিকা প্ৰতিযোগিতাৰ শতিকা বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলক নিজকে মানৱ সম্পদৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত গভীৰভাৱে মনোনিবেশ কৰিবলৈ আহ্বান জনায়।

০০০০০

বড়োলেণ্ড মহোৎসৱৰ আয়োজনৰ উদ্দেশ্যে আজি নতুন দিল্লীত নিখিল বড়ো ছাত্ৰ সন্থাৰ এখন সংবাদমেল অনুষ্ঠিত হয়। 'Ethos of peace and harmony an integral part for nation

building' শীৰ্ষক বিষয়বস্তুৰে ১৫ আৰু ১৬ নৱেম্বৰত দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত আয়োজন কৰিবলগীয়া বড়োলেণ্ড মহোৎসৱৰ বিষয়ে আজিৰ সংবাদমেলত বড়ো ছাত্র সন্থাৰ বিষয়ববীয়াসকলে সংবাদ মাধ্যমক অৱগত কৰে। বড়ো জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰু ইতিহাস সামৰি লৈ আয়োজন কৰা এই মহোৎসৱলৈ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাৰ বিষয়ে উদ্যোক্তাসকলে উল্লেখ কৰে। মহোৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, জনজাতি কল্যাণ মন্ত্ৰী জুৱেল অ'ৰাম, বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি বড়ো ছাত্র সন্থাৰ বিষয়ববীয়াই জানিবলৈ দিছে।     **-বাইট-**

ooooo

ভাতৃ-ভগ্নীৰ পৱিত্ৰ বান্ধোনৰ নিদৰ্শনস্বৰূপ ভাতৃ দ্বিতীয়া, ভাইদুজ বা ভাইফোটা উৎসৱ আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই উৎসৱ উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি কয় যে, ভাতৃ আৰু ভগ্নীৰ সম্পৰ্ক অতুলনীয়। চেনেহ জৰিৰে গঁথা এই সম্পৰ্কই এখন ঘৰ আৰু সমাজক আগবঢ়াই নিয়াত অৰিহণা যোগাব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে সকলো ভাতৃ-ভগ্নীৰ কুশল কামনা কৰে। মন্ত্ৰী কেশৱ মহন্তয়েও এই উৎসৱ উপলক্ষে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি পৰম্পৰাগত এই উৎসৱে ভাতৃ-ভগ্নীৰ স্নেহবন্ধন অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই উৎসৱ উপলক্ষে উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে।

শোণিতপুৰ জিলাত আজি গোৰ্খা সম্প্ৰদায়ৰ লোকসকলে এই উৎসৱ পালন কৰিছে। পাঁচদিনীয়া এই উৎসৱৰ অন্তিম দিনা পৰম্পৰা অনুসৰি সমূহীয়াভাৱে তেওঁলোকে ভাইটীকা বা ভাইফোটা আয়োজন কৰে। আজি সন্ধিয়া আয়োজিত এই অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব বুলি জানিব পৰা গৈছে।

ooooo

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত-নিউজিলেণ্ড টেষ্ট শৃংখলাৰ অন্তিমখন টেষ্টত নিউজিলেণ্ডে ২৫ ৰানত জয়লাভ কৰিছে। আজি তৃতীয় দিনা জয়ৰ বাবে আলহী দলটোৱে নিৰ্ধাৰণ কৰি দিয়া ১৪৭ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ১২১ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ ঋষভ পণ্টে সৰ্বাধিক ৬৪ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে দলৰ ৮ গৰাকী বেট্‌ছমেনে দুটা অংকৰ ঘৰো স্পৰ্শ কৰিব নোৱাৰিলে। নিউজিলেণ্ডৰ হৈ এজাজ পেটেলে ছটা উইকেট দখল কৰি খেলখনত সৰ্বমুঠ ১১ টা উইকেট দখল কৰে। উল্লেখযোগ্য যে তিনিখনীয়া টেষ্ট শৃংখলাটোত নিউজিলেণ্ডে ৩-০ৰ ব্যৱধানত জয় সাব্যস্ত কৰে।

ooooo

অসমত বড়ো শান্তি চুক্তি আৰু ত্ৰিপুৰাৰ ব্ৰু-ৰিয়াং মীমাংসাই উত্তৰ-পূৰ্বাঞ্চলত শান্তি আৰু স্থিৰতা ঘূৰাই আনিছে বুলি প্ৰধানমন্ত্ৰীৰ মন্তব্য, ৰাজ্যিক কেবিনেটৰ বৈঠকত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধি প্ৰস্তাৱত অনুমোদন, দীঘলীপুখুৰীপাৰৰ ঐতিহ্যবহনকাৰী গছসমূহ নকটাকৈ উৰণ সেতু নিৰ্মাণ সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ ৰাজ্যৰ মুখ্য সচিবৰ লোকনিৰ্মাণ বিভাগক নিৰ্দেশকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ৩১ অক্টোবৰত একতাৰ ভাৱনাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় একতা ভংগ কৰাৰ প্ৰচেষ্টা চলোৱা বিভাজনকাৰী শক্তিসমূহৰ পৰা সাৱধান হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়। গুজৰাটৰ কেৱৰিয়াত লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ জয়ন্তী উপলক্ষে আয়োজিত ৰাষ্ট্ৰীয় একতা

দিৱসৰ সমাৰোহত জনসাধাৰণক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, অনাগত ২৫ বছৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাষ্ট্ৰীয় একতা অত্যন্ত গুৰুত্বপূৰ্ণ। অসমত বড়ো শান্তি চুক্তি আৰু ত্ৰিপুৰাৰ ব্ৰু-ৰিয়াং মীমাংসা হোৱাত উত্তৰ-পূৰ্বাঞ্চলত শান্তি আৰু স্থিৰতা আহিছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে, দীৰ্ঘকালীন সমস্যাসমূহৰ সমাধানে উত্তৰ-পূবত বিচ্ছিন্নতাবাদী চিন্তা পৰিহাৰ কৰি এটা ইতিবাচক পৰিৱেশ সৃষ্টি কৰিছে।

০০০০০০০

গুৱাহাটীৰ লোকসেৱা ভৱনত যোৱা ২৭ অক্টোবৰত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনায়। এই সিদ্ধান্ত চলিত বছৰৰ ১ জুলাইৰ পৰা প্ৰযোজ্য হ'ব। অৱশ্যে কৰ্মচাৰীসকলে পহিলা ডিচেম্বৰৰ পৰা বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব আৰু বাকী ৪ মাহৰ বাবে কৰ্মচাৰীসকলক ৪ টা কিস্তিত বকেয়া প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে এই বৃদ্ধিৰ বাবে বছৰি অতিৰিক্ত ৮ কোটি ৫০ লাখ টকা ব্যয় কৰিব।

কেবিনেটে কমনৱেল্থ গেমছ্ আৰু অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ৰাজ্যৰ ধনুৰ্বিদ জয়ন্ত তালুকদাৰক উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তি দিয়াৰ প্ৰস্তাৱতো অনুমোদন জনায়। একেদৰে জীৱন্ত ৰাস উদ্‌যাপন কৰা ধৰ্মীয় অনুষ্ঠানসমূহকো ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে ৰাজ্যৰ জীৱাশ্ম ইন্ধনৰ পৰিৱৰ্তে গ্ৰীন অইল বা নেপিয়াৰ ঘাহৰ পৰা তেল প্ৰস্তুতৰ সম্ভাৱনীয়তাৰ অধ্যয়নৰ বাবে ৰিলায়েন্স বায়' এনাৰ্জীৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন দিয়ে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে দীঘলীপুখুৰীৰ পশ্চিম আৰু পূব পাৰৰ পথ দুটা ব্যৱহাৰ নকৰাকৈ জি এন বি পথত উৰণ সেঁতু নিৰ্মাণৰ বিষয়টো সম্পৰ্কে আলোচনা কৰিবলৈ ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা যোৱা ৩০ অক্টোবৰত লোকনিৰ্মাণ পথ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। এই বৈঠকত দীঘলীপুখুৰীৰ আশে পাশে থকা ঐতিহ্য বহনকাৰী গছসমূহ নকটাকৈ তথা জি এন বি পথৰ প্ৰস্তাৱিত উৰণ সেঁতুৰ যান বাহনৰ চলাচল সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰি প্ৰতিবেদন দাখিল কৰিবলৈ মুখ্য সচিবগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। এসপ্তাহৰ ভিতৰত এই সন্দৰ্ভত প্ৰস্তাৱ সংযোজন কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হয়। উল্লেখযোগ্য যে, গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ বহু পুৰণি গছ কটাৰ সিদ্ধান্তৰ বিৰুদ্ধে সচেতন ৰাইজে প্ৰতিবাদ কৰাৰ পাছতে ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ বিষয়টো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৰুত্ব সহকাৰে গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বিকল্প প্ৰস্তাৱৰ সন্ধান আৰু ইয়াৰ সম্ভাৱনা মূল্যায়ন কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক কেইদিনমান সময় দিবলৈ সকলোকে আহ্বান জনায়।

০০০০০০০

ভূমি নথি ডিজিটেল ব্যৱস্থাৰে সংৰক্ষণৰ ক্ষেত্ৰত বিটিচি উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে ষষ্ঠ অনুসূচী পৰিষদ হিচাপে পৰিগণিত হৈছে। বিটিচিৰ জিলাসমূহে উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথম আৰু একমাত্ৰ ষষ্ঠ অনুসূচীভুক্ত পৰিষদ হিচাপে ইয়াৰ ৰাজহ গাঁৱসমূহৰ সকলো ধৰণৰ ভূমি নথি ডিজিটেল ব্যৱস্থাৰে সংৰক্ষণ কৰিবলৈ সমৰ্থ হৈছে। বিগত ৪টা বছৰত ২ লাখতকৈ অধিক ভূমি পট্টা বিতৰণ কৰা হৈছে। মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ৰ

অধীনত ৮০ হাজাৰতকৈ অধিক ভূমি সম্পৰ্কীয় বিষয় নিষ্পত্তি কৰা হৈছে। অঞ্চলটোত সম্প্ৰতি ১৬টা ভূমি আৰু ভূমি ৰাজহ সম্পৰ্কীয় সেৱা আছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ১ নৱেম্বৰৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হৈছে। কৃষিমন্ত্ৰী অতুল বৰাই কঁহৰা বনাঞ্চলৰ মিহিমুখত ফিটা কাটি আনুষ্ঠানিকভাৱে হাতী ছাফাৰী মুকলি কৰে। পৰম্পৰাগত হস্তী পূজাৰে ২০২৪-২৫ পৰ্যটন বৰ্ষৰ হাতী ছাফাৰী মুকলি কৰা হয়। বাগৰি বনাঞ্চলতো একেদিনাই ব্যক্তিগত হাতী ছাফাৰী আৰম্ভ হৈছে। হাতী ছাফাৰী মুকলি হোৱাৰ প্ৰথম দিনটোতে কঁহৰা বনাঞ্চলৰ ১০টা হাতীত বেলজিয়াম, আমেৰিকা, ইংলেণ্ডৰ পৰ্যটককে ধৰি দেশী-বিদেশী মুঠ ৩০ গৰাকী পৰ্যটক হাতী ছাফাৰী কৰে। উল্লেখযোগ্য যে, বন বিভাগে যোৱা ১ অক্টোবৰত ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী মুকলি কৰিছিল। উদ্যান কৰ্তৃপক্ষই জনোৱা মতে, অক্টোবৰ মাহত ২৮ হাজাৰ ৯৮০ গৰাকী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰী কৰে। ইয়াৰে ভাৰতীয় পৰ্যটক ২৮ হাজাৰ ৪০১ গৰাকী আৰু বিদেশী পৰ্যটকৰ সংখ্যা হৈছে ৫৭৯ গৰাকী।

ইপিনে, ২০২৪-২৫ বৰ্ষৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প যোৱা ৩০ অক্টোবৰত দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিয়ে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে নিয়ন্ত্ৰণবিহীন জমা আঁচনি নিষিদ্ধকৰণ আইনৰ অধীনৰ গোচৰৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়া সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰিছে। এই অধিসূচনা অনুসৰি নিয়ন্ত্ৰণবিহীন জমা আঁচনি নিষিদ্ধকৰণ আইনৰ অধীনত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই তদন্ত চলাই থকা গোচৰসমূহৰ ক্ষেত্ৰত এজাহাৰ, অভিযোগনামা, চূড়ান্ত প্ৰতিবেদন আদি চিবিআইৰ বিশেষ ন্যায়াধীশৰ আদালতত দাখিল কৰিব লাগিব। একেদৰে চিবিআইৰ বিশেষ ন্যায়াধীশৰ আদালতে জামিন আবেদন, জিম্মাত বিচৰা আবেদন আদি নিষ্পত্তিৰ দায়িত্ব চিবিআইৰ ২ আৰু ৩ নম্বৰ অতিৰিক্ত আদালতক অৰ্পণ কৰিব পাৰিব।

এয়াই আছিল বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিসমূহৰ আলোকপাত।

০০০০০০০০

সমাপ্ত